# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 12-04-2025
**Time :** 0755 hrs

ASSAMESE MORNING BULLETIN

**::::::::::::::::::::**

ৰাজ্যত অহা ২ আৰু ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ প্ৰাৰ্থীসকলৰ মনোনয়ন পত্ৰ সমূহ আজি পৰীক্ষা কৰা হ'ব। মনোনয়ন দাখিলৰ অন্তিম দিনটোত কালি প্ৰাৰ্থীসকলে সমৰ্থকসহ শোভাযাত্ৰা কৰি জিলা আয়ুক্ত কাৰ্যালয়ত মনোনয়ন দাখিল কৰে। মুঠ ৩৯৭ খন জিলা পৰিষদৰ আসনৰ ভিতৰত বিজেপিয়ে ৩২৩ খনত আৰু অগপই ৭৪ খন আসনত প্ৰতিদ্বন্দ্বিতা কৰিছে।

শিৱসাগৰ জিলাত বিজেপিয়ে শিৱসাগৰ বিধানসভা সমষ্টিৰ চাৰিখন জিলা পৰিষদ, ২৭ টা পঞ্চায়ত আৰু ২৭০ টা ৱাৰ্ডত নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হ'ব। ৰাইজৰ দল আৰু অসম গণ পৰিষদ দলৰ প্ৰাৰ্থীয়েও মনোনয়ন পত্ৰ দাখিল কৰে।

কাছাৰ জিলাতো বিভিন্ন বিধানসভা সমষ্টিৰ পৰা ভাৰতীয় জনতাপাৰ্টীৰ আঞ্চলিক পঞ্চায়তৰ সদস্য আৰু জিলা পৰিষদৰ সদস্যসকলে মনোনয়ন পত্ৰ দাখিল কৰে।

হোজাই জিলাতো কালি লামডিং সমষ্টিৰ অন্তৰ্গত ১৮খন গাঁও পঞ্চায়তৰ প্ৰাৰ্থীসকলে লামডিং সম-জিলা আয়ুক্তৰ কাৰ্যালয় আৰু লামডিং উন্নয়ন খণ্ড বিষয়াৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে।

কামৰূপ জিলাত ১৩৯টা আঞ্চলিক পঞ্চায়ত আৰু এহেজাৰ ৫৮৯ আঞ্চলিক পৰিষদৰ সদস্যৰ বাবে মনোনয়ন পত্ৰ খণ্ড উন্নয়ন কাৰ্যালয় আৰু চক্ৰ বিষয়া কাৰ্যালয়ত দাখিল কৰে। জিলাখনত বিজেপি, অগপ আৰু ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিৰ প্ৰাৰ্থীসকলে আসন বুজাবুজিৰে মনোনয়ন পত্ৰ দাখিল কৰে। কংগ্ৰেছ দলে জিলা পৰিষদত নিজৰ প্ৰাৰ্থী মনোনীত কৰিছে যদিও ভালেসংখ্যক পদত প্ৰাৰ্থীত্ব আগবঢ়োৱাৰ পৰা বিৰত আছে।

শ্ৰীভূমি জিলাৰ পাথাৰকান্দি বিধানসভা সমষ্টিৰ ৪ খন জিলা পৰিষদৰ আসনৰ বাবে বিজেপিৰ মনোনীত প্ৰাৰ্থীসকলে মনোনয়ন পত্ৰ দাখিল কৰে। কংগ্ৰেছৰো ৪ গৰাকী জিলা পৰিষদৰ প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে।

ৰাজ্যৰ অন্যান্য অংশৰ লগতে তিনিচুকীয়া জিলাখনৰ ৭ খন আঞ্চলিক পঞ্চায়ত, ২২ খন জিলা পৰিষদ, ৮৬ খন গাওঁ পঞ্চায়ত আৰু ৮৬০ টা ৱাৰ্ডৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়া সমাপ্ত হয়।

মৰিগাওঁত জিলা পৰিষদৰ সমষ্টিসমূহৰ বাবে মুঠতে ৩৬ খন মনোনয়ন পত্ৰ গ্ৰহণ কৰা হয়। ইয়াৰে মৰিগাঁও বিধানসভা সমষ্টিৰ ৪ খন জিলা পৰিষদৰ বাবে ৯ খন, জাগীৰোড বিধানসভা সমষ্টিৰ ৪ খন জিলা পৰিষদৰ বাবে ৮ খন আৰু লাহৰিঘাট বিধানসভা সমষ্টিৰ ৪ খন জিলা পৰিষদৰ বাবে ১৭ খন মনোনয়ন পত্ৰ দাখিল কৰা হয়। বজালী জিলাতো কালি অন্তিম দিনা অগপ-বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থীসকলে বজালী খণ্ড উন্নয়ন বিষয়া আৰু বজালী জিলা পৰিষদৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে। জিলাখনৰ ৫ খন জিলা

পৰিষদ আৰু ২৭ খন আঞ্চলিক পঞ্চায়তৰ বাবে বিজেপি-অগপ মিত্ৰজোটৰ প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে।

দক্ষিণ শালমাৰা মানকাচৰত চাৰিখন জিলা পৰিষদৰ, ৩৫ খন আঞ্চলিক পঞ্চায়ত আৰু ৩৫০ খন গাঁও পঞ্চায়তৰ বাবে প্ৰাৰ্থীসকলে মনোনয়ন পত্ৰ দাখিল কৰে।

বিৰোধী দলসমূহে প্ৰাৰ্থী নিদিয়াৰ বাবে নিৰ্বাচনৰ পূৰ্বে চাৰি জিলা পৰিষদত বিজেপিৰ জয় নিশ্চিত হৈছে। দৰং জিলাত ৰঙামাটি জিলা পৰিষদ আসনত বিজেপিৰ বিতোপন ডেকা আৰু হাজৰিকাপাৰা কুৰুৱা জিলা পৰিষদ আসনত বিজেপিৰ পৰিস্মিতা নাথ বিনাপ্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হয়। বঙাইগাঁৱৰ ঢালিগাঁও জিলা পৰিষদৰ, ৰাভা-হাচঙৰ দাৰকাত, বৰপেটাৰ হাউলীত আৰু হোজাইৰ কাকী জিলা পৰিষদতো বিজেপিৰ প্ৰাৰ্থীৰ জয় প্ৰায় নিশ্চিত হৈছে।

ইপিনে, নিৰ্বাচন নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসন আৰু নিৰ্বাচন আয়োগে প্ৰস্তুতি অব্যাহত ৰখাৰ লগতে বিভিন্ন ৰাজনৈতিক দলসমূহৰ মাজতো নিৰ্বাচনী তৎপৰতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে।

০০০০০

ৰাজ্য চৰকাৰে পঞ্চায়ত নিৰ্বাচনৰ বাবে ২ আৰু ৭ মে'ত স্থানীয় বন্ধৰ দিন ঘোষণা কৰিছে। এই সন্দৰ্ভত জাৰি কৰা অধিসূচনা অনুসৰি ২ মে'ত ৰাজ্যৰ ১৪ খন জিলা আৰু ৭ মে'ত ১৩ খন জিলাত স্থানীয় বন্ধ থাকিব। প্ৰথম পৰ্যায়ত অৰ্থাৎ ২ মে'ত নিৰ্বাচন হ'বলগীয়া জিলাকেইখন হৈছে— তিনিচুকীয়া, ডিব্ৰুগড়, চৰাইদেউ, শিৱসাগৰ, মাজুলী, যোৰহাট, গোলাঘাট, ধেমাজি, লখিমপুৰ, শোণিতপুৰ, বিশ্বনাথ, কাছাৰ, হাইলাকান্দি আৰু শ্ৰীভূমি। সেইদৰে দ্বিতীয় পৰ্যায়ত ৭ মে'ত নিৰ্বাচন হ'বলগীয়া জিলাকেইখন হৈছে- ধুবুৰী, দক্ষিণ শালমাৰা, গোৱালপাৰা, বঙাইগাঁও, বৰপেটা, বজালী, নলবাৰী, কামৰূপ, কামৰূপ মহানগৰ, হোজাই, মৰিগাঁও, নগাঁও আৰু দৰং জিলা।

০০০০০

ডিব্ৰুগড়ৰ হনুমান বক্স সূৰজমল কানৈ মহাবিদ্যালয়ত কালি অসম সাহিত্য সভাৰ অধীনৰ শতদল শাখা মুকলি কৰা হয়। অনুষ্ঠানত ভাগ লৈ মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই ভৱিষ্যৎ প্ৰজন্মই অসমীয়া ভাষা-সাহিত্যৰ চৰ্চাৰ জৰিয়তে বিশ্বৰ প্ৰেক্ষাপটত তুলি ধৰিব বুলি আশা প্ৰকাশ কৰে। অনুষ্ঠানত ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সভাপতি আৰু সম্পাদকে শতদল শাখা মুকলি কৰাত দিহা-পৰামৰ্শ আগবঢ়ায়।

০০০০০

অসম আৰক্ষীৰ বিশেষ কাৰ্যবাহিনীৰ এটা দলে বন্যপ্ৰাণী সৰবৰাহৰ বিৰুদ্ধে চলোৱা এটা অভিযানত কালি ডিব্ৰুগড়ৰ লাহোৱালৰ পৰা কেঁকো সাপ হিচাপে পৰিচিত ১১টা বিৰল প্ৰজাতিৰ টৌকাই গেকোঁ জব্দ কৰে। এই বিৰল প্ৰজাতিৰ সৰীসৃপকেইটা বিক্ৰীৰ চেষ্টা চলোৱাৰ অভিযোগত আৰক্ষীয়ে ৩ জন লোকক আটক কৰে। লোককেইজনে ত্ৰিপুৰাৰ এজন গ্ৰাহকক সৰীসৃপকেইটা বিক্ৰীৰ যো-জা কৰাৰ সময়তে আৰক্ষীয়ে তেওঁলোকক আটক কৰে। কেঁকো সাপ বা টৌকাই গেকোঁ ভাৰতৰ বন্যপ্ৰাণী সুৰক্ষা আইন ১৯৭২ অধীনত সংৰক্ষিত প্ৰজাতি হিচাপে চিনাক্ত কৰা হৈছে।

০০০০০

সমাপ্ত